# ॥ শ্ৰীমদ্ভাগৱদ্‌গীতা ॥

[ চমু সংস্কৰণ ]

—শ্ৰীদেবানন্দ ভৰালি

[ পূৰ্ব্বাভাষ ]

॥১॥

শ্ৰীগীতা যে এখন অতুলনীয় গ্ৰন্থ তাক সকলোৱে এক বাক্যে স্বীকাৰ কৰে। ইংৰাজী জাৰ্ম্মণ আদি সকলো সভ্য ভাষালৈ ইয়াৰ অনুবাদ হৈ গৈছে। অকল ধৰ্ম্মগ্ৰন্থ বুলিয়েই নহয়, সাহিত্য হিচাপেও ইয়াৰ ঠাই অতি ওখত। সুন্দৰ উপমা, ভাষাৰ অপ্ৰতিহত স্ৰোত, কল্পনাৰ ভব্যতা, বাক্যৰ গাম্ভীৰ্য্যতা, অৰ্থৰ গভীৰতা, ইত্যাদি সাহিত্যিক গুণ থকাৰ বাবেই গীতাই আজি প্ৰায় ২৫০০ কাল অম্লানে মানৱ হৃদয় পোহৰাই আছে। কবিত্ব, দৰ্শন, ধৰ্ম্ম আৰু নীতিৰ অপূৰ্ব সমাবেশ এই একেখনি শাস্ত্ৰতে পোৱা যায়। সকলো ধৰ্ম্মতকৈ গীতাৰ স্থান ওপৰতে। ধৰ্ম্ম বিশেষৰ সীমাবদ্ধতা গীতাই অতিক্ৰম কৰি গৈছে। গীতা অসাম্প্ৰদায়িক। সমস্ত মানৱ জাতিৰেই যুগমীয়া আদৰ্শ শাস্ত্ৰ। সংসাৰৰ দুখ-দাৱানলে যাক দেই পুৰি মাৰিছে, তেনে মানুহে গীতাৰ ভিতৰত সোমালে পৰম শান্তি লাভ কৰিব। গীতা আশাবাদী শাস্ত্ৰ। ই গোটেই মানব জাতিকে কৰ্ম্মী, জিতেন্দ্ৰিয় আৰু "সৰ্ব্ব ভূতহিতেৰতা" হবলৈ পৰামৰ্শ দিছে। জীবন যুদ্ধত নিৰাশ নহৈ নিজ কৰ্ত্তব্য কৰিবলৈ গীতাই উদগনি দিয়ে। গীতাৰ বাণী যিমানেই প্ৰচাৰ হব সিমানেই সমাজত শান্তি বিৰাজ কৰিব, পৃথিবীত যুদ্ধ বিগ্ৰহৰ ওৰ পৰিব।